# আমি অসমৰ জনগণ

পৃষ্ঠা-৩

চতুৰ্থ বছৰ ■ সংখ্যা ৩০০ ■ Vol-IV ■ No. 300 ■ গুৱাহাটী, বৃহস্পতিবাৰ, ৭ ডিচেম্বৰ, ২০১৭, ২০ আঘোণ, ১৯৩৯ শক


**বাবৰি মছজিদ ধ্বংসৰ পঁচিশ বছৰ**

## দীঘলীপুখুৰীপাৰত সাম্প্ৰদায়িকতাবিৰোধী দিৱস



**জনগণ সেৱা, গুৱাহাটী, ৬ ডিচেম্বৰ ঃ** বাবৰি মছজিদ ধ্বংসৰ পঁচিশসংখ্যক বৰ্ষপূৰ্তি উপলক্ষে সাম্প্ৰদায়িক বিৰোধী দিৱস ১২ বাওঁ গণতান্ত্ৰিক দলে আজি গুৱাহাটী দীঘলীপুখুৰী পাৰত অৱস্থান বিক্ষোভ কাৰ্যসূচী গ্ৰহণ কৰে। কাৰ্যসূচীত উপস্থিত থাকি ড° হীৰেন গোহাঁয়ে কয় যে ৰামৰ জন্মভূমি ধ্বংস কৰাৰ কোনো প্ৰমাণ নাই। ভুৱা ইতিহাসৰ ভিত্তিত হিন্দুত্ববাদীসকলে বিবাদৰ সৃষ্টি কৰিছিল। হিন্দু মুছলমানৰ ঐক্য-সম্প্ৰীতি ধ্বংস কৰিবৰ বাবে ব্ৰিটিছসকলে বিভেদ সৃষ্টি কৰিছিল। বৰ্তমান সময়ৰ নব্য ঔপনিৱেশিকতাৰ প্ৰভাৱ আমাৰ ওপৰত ইমানে বেছিকৈ পৰিছে তাৰ ফলত ■ ১০ পৃষ্ঠাত

**শিৱসাগৰৰ নাগৰিক সভাত নেকিবুৰ জামান**

## খিলঞ্জীয়া ভূমিপুত্ৰ মুছলমানক বাদ দি সম্পূৰ্ণ নহয় অসমীয়া জাতি

### এন আৰ চি সম্পূৰ্ণ হ'লে বিদেশীৰ নামত ৰাজনীতি কৰা এজেণ্টসকলৰ দোকান বন্ধ হৈ পৰিব

**জনগণ সেৱা, শিৱসাগৰ, ৬ ডিচেম্বৰ ঃ** উজনি অসম মুছলিম কল্যাণ পৰিষদৰ উদ্যোগত আৰু শিৱসাগৰ ৰংপুৰজ্যোতি ক্লাবৰ সহযোগত কালি সন্ধিয়া অসমৰ বিভিন্ন জ্বলন্ত সমস্যা আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। আটাছুৰ মুখ্য উপদেষ্টা অশ্বিনী চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত নাগৰিক সভাত মুখ্য অতিথি হিচাপে ভাষণ দি অসম আন্দোলনৰ জ্যেষ্ঠ নেতা তথা বিশিষ্ট অধিবক্তা নেকিবুৰ জামানে কয় যে তাহানিৰ প্ৰাগজ্যোতিষপুৰ, ■ ১০ পৃষ্ঠাত

### মাটিয়া লাটমণ্ডল এগৰাকীৰ দুৰ্নীতিৰ বিৰুদ্ধে ৰাজহুৱা অভিযোগ

**জনগণ সেৱা, দলগোমা, ৬ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ লাটমণ্ডল এগৰাকীৰ বিৰুদ্ধে এক ৰাজহুৱা অভিযোগ পোৱা গৈছে। প্ৰাপ্ত তথ্যত প্ৰকাশ যে ২০১৬ চনত হৈ যোৱা প্ৰলয়ংকৰী ধুমুহা, শিলাবৃষ্টিত সাহায্য ■ ১০ পৃষ্ঠাত

### দুৰ্ঘটনাত আহতৰ চিকিৎসালয়ত মৃত্যু

**জনগণ সেৱা, কমলপুৰ, ৬ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ কমলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ডেকাৰকুছি গাঁৰৰ যুৱক এজনে একৈশ নৱেম্বৰত দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন অৱস্থাতে আজি গুৱাহাটী মেডিকেল ■ ১০ পৃষ্ঠাত

### তেজপুৰৰ ঘগৰা চাহ বাগিচাৰ নলাত আবদ্ধ নৱজাতক হাতী পোৱালি

**জনগণ সেৱা, তেজপুৰ, ৬ ডিচেম্বৰ ঃ** তেজপুৰ ঘগৰা চাহ বাগিচাত কালি নিশাৰে পৰা নৱজাতক এটি হাতী পোৱালিয়ে বাগিচাৰ নলাত পৰি মৃত্যুৰ সৈতে যুঁজ-বাগৰ কৰি থকা হৃদয় বিদাৰক কৰুণ দৃশ্যই সকলোকে মৰ্মাহত ■ ১০ পৃষ্ঠাত

### বৰপেটাত পৰিবহণ নিগমক ভেঙুচালি ১৩৫ গৰাকী চালকৰ অনুজ্ঞা-পত্ৰ বাতিল

**জনগণ সেৱা, বৰপেটা, ৬ ডিচেম্বৰ ঃ** বৰপেটা জিলাত একাংশ চালকৰ দৌৰাত্ম্য তথা দায়িত্বজ্ঞানহীনতাৰ বাবেই সঘনাই সংঘটিত হৈ আহিছে দুৰ্ঘটনা। এনে চালকসকলক নাকী লগোৱাৰ বাবে বৰপেটা জিলা পৰিবহণ বিষয়া গৌতম দাসে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। পৰিবহণ বিষয়াগৰাকীৰ তৎপৰতাৰ বাবেই জিলা পৰিবহণ বিভাগে ■ ১০ পৃষ্ঠাত

**হোজাইত বিভিন্ন দলৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি তুংগত**

### চুৰিত অভিযুক্তক লৈ হোজাই অগপৰ পঞ্চায়ত নিৰ্বাচনৰ যো-জা

**জনগণ সেৱা, মোৱাঝাৰ, ৬ ডিচেম্বৰ ঃ** ৰাজ্যত এতিয়া পঞ্চায়ত নিৰ্বাচনৰ বতাহ পূৰ্ণ গতিত বলিছে। সকলো ঠিকে থাকিলে আগন্তুক ফেব্ৰুৱাৰী মাহতে পঞ্চায়ত নিৰ্বাচন সম্পন্ন কৰা হ'ব। এই লৈ সকলো ৰাজনৈতিক দলে এতিয়া তীব্ৰগতিত প্ৰচাৰ অভিযানত নামি পৰিছে। ■ ১০ পৃষ্ঠাত

### অসমৰ মাটিত এজন নগাই পাতিছে গাঁও

**ধনশিৰিৰ সীমান্তৰ 'চি' ছেক্টৰত অসমৰ মাটিত নগাৰ গাঁও**

**জনগণ সেৱা, উত্তৰ ধনশিৰি, ৬ ডিচেম্বৰ ঃ** অসমৰ মাটিত নগাই স্থাপন কৰা অকই মহকুমাৰ কাৰ্যালয় উচ্ছেদ কৰা হ'ব বুলি ৰাজ্যৰ প্ৰশাসনে ঘোষণা কৰি থকাৰ সময়তে গোলাঘাট জিলাৰ সীমান্তৰ চি ছেক্টৰত নগাই নতুনকৈ গাঁও স্থাপন কৰাৰ বাতৰি পোহৰলৈ আহিছে। ধনশিৰি মহকুমাৰ উৰিয়ামঘাটৰ পূজাবিল গাঁৱত এটা নগাই গোলাঘাট জিলা প্ৰশাসনৰ চকুৰ ■ ১০ পৃষ্ঠাত

**শুদ্ধ এন আৰ চি প্ৰস্তুতৰ দাবী বি টি চি বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ**

# গোসাইগাঁৱত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট

**জনগণ সেৱা, গোসাইগাঁও, ৬ ডিচেম্বৰ ঃ** অসমত বসবাস কৰা হিন্দু বাঙালীসকলক বিদেশী আৰু ডি ভোটাৰৰ নামত হাৰাশাস্তি বন্ধ কৰা আৰু বিদেশী সজাই বন্দী শিবিৰত আটক কৰি ৰখা হিন্দু বাঙালীক মুক্তিৰ দাবী তথা এখন শুদ্ধ এন আৰ চি প্ৰস্তুত কৰাৰ দাবীত আজি সদৌ অসম আৰু সদৌ বি টি চি বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ গোসাইগাঁও জিলা সমিতিৰ যৌথ উদ্যোগত গোসাইগাঁও মহকুমাধিপতিৰ কাৰ্যালয়ৰ সন্মুখত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰা হয়। ডি ভোটাৰৰ নামত বাঙালীক হাৰাশাস্তি বন্ধ কৰক, ডিটেনচন কেম্পৰ পৰা হিন্দু বাঙালীক মুক্তি দিয়ক, হিন্দু বাঙালীক লৈ ৰাজনীতি বন্ধ কৰক, হিন্দু বাঙালীৰ সৈতে প্ৰতাৰণা কৰা বিজেপি ■ ১০ পৃষ্ঠাত

**বিজেপি চৰকাৰলৈ আহ্বান কলিতা জনগোষ্ঠী সন্মিলনৰ**

## কলিতা জনগোষ্ঠীক প্ৰতাৰণা বন্ধ কৰক

**জনগণ সেৱা, গুৱাহাটী, ৬ ডিচেম্বৰ ঃ** কলিতা জনগোষ্ঠী সন্মিলন অসমে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে কলিতা জনগোষ্ঠীক পূৰ্বৰ চৰকাৰসমূহে কৰি অহা প্ৰতাৰণাৰ ধাৰা অব্যাহত ৰখা বুলি অভিযোগ উত্থাপন কৰে আজি গুৱাহাটী প্ৰেছ ক্লাবত এক সংবাদমেলযোগে সন্মিলনৰ সাধাৰণ সম্পাদক ৰমেন কুমাৰ কাকতিয়ে। কলিতা জনগোষ্ঠীক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচিতৰ অন্তৰ্ভুক্তিৰ বাবে কৰি অহা দাবী আওকাণ কৰি কলিতাক বাদ দি অইন জনগোষ্ঠীৰ জনজাতিকৰণৰ যিকোনো পদক্ষেপক সন্মিলনে বিৰোধিতা কৰিছে। আনহাতে, ৰাভা, তিৱা, মিচিং পৰিষদক ষষ্ঠ অনুসূচিত অন্তৰ্ভুক্তিৰ বাবে কেবিনেট উপ-সমিতি গঠন কাৰ্যৰ সন্মিলনে বিৰোধিতা কৰিছে আৰু অতি শেহতীয়াভাৱে অসম চৰকাৰে ছুপাৰ পঞ্চাশ আঁচনিৰ অধীনত সৰ্বভাৰতীয় সেৱাৰ বাবে বিনামূলীয়া প্ৰশিক্ষণ কাৰ্যসূচীত ৭৫ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰি বিজেপি নেতৃত্বাধীন বৰ্তমানৰ সৰ্বানন্দ সোণোৱাল চৰকাৰৰ কলিতা জনগোষ্ঠী বিৰোধী চৰিত্ৰ ■ ১০ পৃষ্ঠাত



**বাঘবৰৰ পাহাৰপুৰ-কাতুলিত ব্ৰহ্মপুত্ৰৰ ভয়াৱহ খহনীয়া**

## উছন বহু পৰিয়ালৰ ভেটি-মাটি

**জনগণ সেৱা, বাঘবৰ, ৬ ডিচেম্বৰ ঃ** বৰপেটাৰ বাঘবৰত অব্যাহত আছে ব্ৰহ্মপুত্ৰ নৈৰ ৰুদ্ৰমূৰ্তি। জানিব পৰা মতে বাঘবৰ সমষ্টিৰ অন্তৰ্গত পাহাৰপুৰ-কাতুলি গাঁৱত বৰ্তমানেও অব্যাহত আছে ব্ৰহ্মপুত্ৰ নৈৰ ভয়ানক খহনীয়া। দুমাহতে উছন হ'ল প্ৰায় আশীটাকৈ পৰিয়ালৰ ভেটি-মাটি। নৈৰ বুকুত জাহ গ'ল হাজাৰ হাজাৰ বিঘা কৃষিভূমিও। ইপিনে, নৈখনে ভাবুকি কঢ়িয়াই আনিছে অঞ্চলটোৰ সাত-আঠ বিদ্যালয়লৈ। ভাবুকি কঢ়িয়াইছে বাঘবৰ-বহৰি সংযোগী মথাউৰিলৈ। খহনীয়াগ্ৰস্ত ■ ১০ পৃষ্ঠাত

# বিনা বেতনে শিক্ষকতাৰ পৰা অৱসৰ

**শিক্ষা বিভাগৰ বিফলতা ঃ বিদায়ী সভাত অশ্ৰু-বন্যাৰে উচুপি উঠিল শিক্ষয়িত্ৰী**



**জনগণ সেৱা, দৌলাশাল, ৬ ডিচেম্বৰ ঃ** মানৱ সম্পদ সৃষ্টিৰ দুৰ্বাৰ হেঁপাহৰ যাত্ৰাৰ পৰিশেষত মাথোঁ এখন গামোচা আৰু কিতাপেৰে প্ৰাপ্তিৰ জোলোঙা ভৰাই উচুপি উঠিল এগৰাকী প্ৰধান শিক্ষয়িত্ৰী। শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিত একাত্ম হৈ বিনা বেতনে কৰ্মজীৱন সামৰিলে শিক্ষয়িত্ৰীগৰাকীয়ে। 'স্বপ্নময় জীৱনৰ যাত্ৰাত এদিন হেঁপাহেৰে আত্মীয় হৈ পৰিছিলোঁ শিক্ষকতাৰ বৃত্তিত। দিন গৈ থাকিল একেদৰেই। দুচকুৰ আগত চৰকাৰে কিছুসংখ্যক স্কুল প্ৰাদেশীকৰণ কৰিলে, হয়তো আমাৰেই দুৰ্ভাগ্য আমাৰ স্কুলখন ■ ১০ পৃষ্ঠাত

## ট্ৰেক্টৰ দিয়াৰ নামত গ্ৰামসেৱকৰ লুণ্ঠন

**জনগণ সেৱা, জামুগুৰিহাট, ৬ ডিচেম্বৰ ঃ** পৰিৱৰ্তনৰ শ্ল'গানেৰে দিছপুৰ দখলত থকা ৰাজ্য চৰকাৰখনে দুৰ্নীতি বিৰোধী অভিযান অব্যাহত ৰখাৰ সময়তেই ৰাজ্য চৰকাৰখনৰেই কৃষি বিভাগৰ এজন কৰ্মচাৰীয়ে শোণিতপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ কৃষক ৰাইজক ভুৱা প্ৰলোভনেৰে ৰাজসাহায্যযুক্ত ট্ৰেক্টৰ দিয়াৰ নামত লক্ষ লক্ষ টকা সংগ্ৰহ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। জিলাখনৰ জামুগুৰিহাট, চাৰিদুৱাৰ, বালিগাঁৱকে ধৰি ভিন্ন প্ৰান্তৰ গ্ৰামাঞ্চলৰ কৃষক ৰাইজক ট্ৰেক্টৰ দিয়াৰ প্ৰলোভনেৰে ধন সংগ্ৰহ কৰা এইজন কৃষি বিভাগৰ গ্ৰামসেৱকৰ নাম প্ৰশান্তজ্যোতি শইকীয়া। তেজপুৰস্থিত জিলা কৃষি ■ ১০ পৃষ্ঠাত

**ৰাজ সাহায্যৰ ট্ৰেক্টৰ দিয়াৰ প্ৰলোভনেৰে লাখ লাখ টকা আত্মসাৎ ঃ এজাহাৰ দাখিল**

### ৰাংচালী লখৌ পাহাৰত দুটাকৈ বন্যহস্তীৰ মৃত্যু

**দুষ্কৃতিকাৰীয়ে কাটি নিলে হাতীৰ শুঁৰ**

**জনগণ সেৱা, নুমলীগড়, ৬ ডিচেম্বৰ ঃ** গোলাঘাট জিলা আৰু কাৰ্বি আংলং জিলাৰ সীমান্তৰ ৰাংচালী অঞ্চলৰ লখৌ পাহাৰত উদ্ধাৰ হৈছে দুটাকৈ হাতীৰ মৃতদেহ। নুমলীগড়ৰ সমীপৰ্তী লখৌ পাহাৰৰ ঘন জংঘলৰ মাজত দুয়োটা হাতীৰ মৃতদেহ কিছু উৰলি যোৱা অৱস্থাত উদ্ধাৰ হৈছে। উদ্ধাৰ হোৱা বন্যহস্তীৰ এটা প্ৰায় পাঁচ-ছয়মহীয়া পোৱালি। আনটো বৃহৎ হাতীৰ শুঁৰ কটা অৱস্থাত ■ ১০ পৃষ্ঠাত

**মৰিগাঁৱৰ বানমূৰিত ভয়াৱহ অগ্নিকাণ্ড**

### জাহ গ'ল দুখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান

**জনগণ সেৱা, লাহৰীঘাট, ৬ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত বানমূৰি গাঁৱত আজি সংগঠিত হয় এক ভয়াৱহ অগ্নিকাণ্ড। অগ্নিকাণ্ডৰ ফলত দুটা ব্যৱসায়িক প্ৰতিষ্ঠান জুইত সম্পূৰ্ণৰূপে জাহ যায়। গাঁওখনৰে স্বপন বড়ো নামৰ দোকানীজনে আজি প্ৰথমবাৰৰ বাবে দোকানখন মুকলি কৰিছিল। মুকলি কৰাৰ বাবে ■ ১০ পৃষ্ঠাত

### জটিল ৰোগত আক্ৰান্ত মথুৰাপুৰৰ এটি কণমানি

**চিকিৎসাৰ বাবে সহায়ৰ আহ্বান পৰিয়ালৰ**



**জনগণ সেৱা, শিমলুগুৰি, ৬ ডিচেম্বৰ ঃ** চৰাইদেউ জিলাৰ মথুৰাপুৰ চাহ বাগিচাৰ এটি শিশু এক জটিল ৰোগত আক্ৰান্ত হৈ বিগত পাঁচ বছৰে শয্যাগত হৈ থকাত চিন্তিত হৈ পৰিছে পিতৃ-মাতৃ। আঠবছৰীয়া এই শিশুটোৰ নাম ঋষি শৰ্মা। মথুৰাপুৰ চাহ বাগিচাৰ মাইবেলা খণ্ডৰ এক নং লাইনৰ নিৱাসী ৰাজু শৰ্মা আৰু অনিতা শৰ্মাৰ কনিষ্ঠ পুত্ৰ ঋষি শৰ্মা বিগত পাঁচ বছৰৰ পূৰ্বে এক জটিল ৰোগত ■ ১০ পৃষ্ঠাত



**চিৰাং আৰক্ষী-এছ এছ বিৰ অভিযান**

### চোৰাং কাঠভৰ্তি দুখন ট্ৰাক-পিকআপ ভেন জব্দ

**ছয় চোৰাং কাঠ ব্যৱসায়ী আটক**

**জনগণ সেৱা, কাজলগাঁও, ৬ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী সংৰক্ষিত বনাঞ্চলত অব্যাহত আছে কাঠৰ চোৰাং ব্যৱসায়। কিন্তু বন বিভাগৰ নিষ্ক্ৰিয়তাৰ সুযোগ গ্ৰহণ কৰি চোৰাং কাঠ ব্যৱসায়ী চক্ৰই অব্যাহত ৰাখিছে এনে অবাধ বন ধ্বংস যজ্ঞ। এনে সময়তে কালি নিশা চিৰাং আৰক্ষী আৰু কাজলগাঁওস্থিত পোন্ধৰ নং বেটেলিয়ন এছ এছ বিৰ যৌথ অভিযানত চোৰাং ■ ১০ পৃষ্ঠাত


উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে উৰ্দু দৈনিক

'অন্দাজ এ বয়াঁ'

روزنامہ انداز بیان گوہاٹی

Urdu Daily ANDAZ E BAYAN, Guwahati

Bora Market, (Near State Zoo),
R G Baruah Road, Guwahati-781005
Phone : 0361-2203079, 98641 45911



অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

ASSAM HIGHER SECONDARY EDUCATION COUNCIL

BAMUNIMAIDAM : GUWAHATI - 21

Website : www.ahsec.nic.in E-mail : ahsec1@yahoo.com

NOTIFICATION

Date : 04/12/2017

No. AHSEC/EXB/NOTIFICATION/2018/8206 : It is for information of all concerned that the examination materials meant for permitted/Recognized Institutions of the Council in connection with the ensuing H.S. First Year Examination-2018 are being dispatched to all the District & Sub-Divisional Head Quarters. The last dates for submission of the particulas for the said examination are December 20,21 & 22/ 2017 which have already been communicated to all concerned.

The Permitted/Recognized Institutions of the council are hereby requested to collect their respective materials from the District & Sub-Divisional Headquaters.

The Council solicits all help and co-operation from all concerned in this regard.

Sd/-
(Kamal Gogoi)
Secretary
Assam Higher Secondary Education Council